জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭০৮/২০২০

চাবুৱা ক্ৰীড়া সন্থাৰ ষ্টেডিয়াম আৰু চাবুৱা ইনডোৰ ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

# চাবুৱাত স্থাপন কৰিবলৈ লোৱা ক্ৰীড়া বিশ্ববিদ্যালয়ে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ উৎকৃষ্ট ক্ৰীড়াবিদ সৃষ্টিত অৰিহণা যোগাব ঃ মুখ্যমন্ত্ৰী

# কংগ্ৰেছৰ বিভাজনৰ নীতিৰ বিপৰীতে স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বৰ অসম গঢ়াৰ নীতিৰে বৰ্তমানৰ চৰকাৰখনে ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সেঁতু সুদৃঢ় কৰি তুলিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ অক্টোবৰ ঃ** ৰাজ্যখনৰ ক্ৰীড়া আন্তঃগাঁথনি শক্তিশালীকৰণৰ অন্যতম পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চাবুৱাৰ দেওধাইত চাবুৱা ক্ৰীড়া সন্থাৰ ষ্টেডিয়াম আৰু চাবুৱা ইনডোৰ ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে ২০১৮-১৯ বৰ্ষৰ চিগনেশ্বাৰ প্ৰকল্পৰ অধীনত প্ৰায় ৯.৮৮ কোটি টকা ব্যয়ৰে চাবুৱা ক্ৰীড়া সন্থাৰ ষ্টেডিয়াম আৰু ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ পুঁজিৰ অধীনত ২.৩৩ কোটি টকা ব্যয়ৰে চাবুৱা ইনডোৰ ষ্টেডিয়াম নিৰ্মাণ কৰা হ'ব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস'ৰ সাৰ্বজনীন নীতি সাৰোগত কৰি বৰ্তমানৰ বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে ২০১৬ চনৰ পৰা বিগত চাৰে চাৰি বছৰে ৰাজ্যখনৰ সৰ্বাংগীন বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। স্বাধীনতাৰ পিছৰে পৰা সৰহভাগ সময় কংগ্ৰেছ দলটো ৰাজ্যৰ শাসনত আছিল যদিও তেওঁলোকে বিভাজনৰ নীতিৰে সমাজখন দুৰ্বল কৰাৰ কু-অভিসন্ধি ৰচিছিল। কিন্তু আমাৰ চৰকাৰে চাওলুং চ্যুকাফাৰ বৰ অসম গঢ়াৰ নীতিৰে ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সেঁতু সুদৃঢ় কৰি তুলিছে। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে বিভিন্ন উন্নয়নমূলক পদক্ষেপেৰে ৰাজ্যখনৰ সামগ্ৰিক প্ৰতিচ্ছবি সলনি কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে যি প্ৰতিশ্ৰুতিৰে শাসনত অধিস্থিত হৈছিল সেই প্ৰতিশ্ৰুতি ৰূপায়ণৰ বাবে দৃঢ়তাৰে কাম কৰি এখন আত্মনিৰ্ভৰশীল অসম গঢ়াৰ দিশত শক্তিশালী পদক্ষেপ লৈ আহিছে। ইয়াৰ ফলশ্ৰুতিতেই ৰাজ্যখনৰ যুৱ শক্তি বিভিন্ন ক্ষেত্ৰত জিলিকি উঠিছে আৰু ৰাজ্যৰ কৃষি খণ্ডইও বিকাশৰ দিশত নতুন যাত্ৰাৰ সূচনা কৰিবলৈ সক্ষম হৈছে বুলিও তেওঁ কয়। বৰ্তমানৰ চৰকাৰে বিগত চাৰে চাৰি বছৰত ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ বাবে যেনেধৰণে দিনে-নিশাই নিষ্ঠাসহকাৰে পদক্ষেপ লৈছে, পূৰ্বৰ কোনো এখন চৰকাৰে এনেধৰণে পদক্ষেপ লোৱা নজিৰ নাই বুলিও মুখ্যমন্ত্ৰীয়ে দৃঢ়তাৰে কয়।

খিলঞ্জীয়াৰ ভূমিৰ ওপৰত অধিকাৰ সাব্যস্ত নহ'লে জাতিৰ অস্তিত্ব নাথাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সেই উদ্দেশ্য আগত ৰাখিয়েই বৰ্তমানৰ চৰকাৰখনে ভূমিহীন খিলঞ্জীয়া পৰিয়ালক মাটিৰ পট্টা আৰু অনুমোদন পত্ৰ বিতৰণৰ দৰে দূৰদৰ্শী আঁচনি লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই আঁচনি কেৱল মাত্ৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কৰা আঁচনি নহয় বুলি উল্লেখ কৰি জাতিক স্থায়ী নিৰাপত্তা প্ৰদানৰ বাবেহে এনেধৰণৰ বলিষ্ঠ পদক্ষেপ বৰ্তমানৰ ৰাজ্য চৰকাৰখনে লৈছে বুলিও তেওঁ দোহাৰে।

২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰত শাসনৰ দায়িত্ব লোৱাৰে পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আন্তগাঁথনি উন্নয়নে বিশেষ মাত্ৰা লাভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বিগত ছয় বছৰত ব্ৰহ্মপুত্ৰৰ ওপৰত ৫ খন নতুন দলঙৰ নিৰ্মাণৰ পদক্ষেপ, ধেমাজিৰ গোগামুখত ভাৰতীয় কৃষি গৱেষণা কেন্দ্ৰ স্থাপন, চাংসাৰিত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান স্থাপনৰ পদক্ষেপ, যোৰহাটত ৰাষ্ট্ৰীয় ডিজাইন প্ৰতিষ্ঠান স্থাপন ইত্যাদিৰ দৰে পদক্ষেপে ৰাজ্যখনৰ উন্নয়নৰ প্ৰতিচ্ছবি সলনি কৰি পেলাইছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

চাবুৱাৰ দেওধাইত আজি আধাৰশিলা স্থাপন কৰা চাবুৱা ক্ৰীড়া সন্থাৰ ষ্টেডিয়াম আৰু চাবুৱা ইনডোৰ ষ্টেডিয়ামৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিলে অঞ্চলটোৰ ক্ৰীড়া আন্তঃগাঁথনি যথেষ্ট শক্তিশালী হৈ উঠিব। চাবুৱাত স্থাপন কৰিবলৈ লোৱা অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়খনে কেৱল ৰাজ্যখন তথা উত্তৰ-পূৰ্বাঞ্চলৰে নহয়, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ উৎকৃষ্ট ক্ৰীড়াবিদ সৃষ্টি কৰাৰ দিশতো বৃহৎ অৰিহণা যোগাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যখনক দেশৰ ভিতৰতে ক্ৰীড়াৰ এক অগ্ৰণী ৰাজ্য হিচাপে গঢ়ি তোলা তথা গুৱাহাটীক দেশৰ ক্ৰীড়া ৰাজধানী হিচাপে পৰিগণিত কৰাৰ বাবে ৰাজ্য চৰকাৰে বিগত চাৰে চাৰি বছৰে বিভিন্ন ক্ষেত্ৰত লোৱা পদক্ষেপসমূহৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে।

আজিৰ এই আধাৰশিলা স্থাপন অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়কসকল ক্ৰমে চক্ৰধৰ গগৈ, তেৰচ গোৱালা আৰু বিনোদ হাজৰিকা, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিব লক্ষ্য কোঁৱৰ, অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জে পি বাৰ্মাকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**সুঃমিঃকঃ / প্ৰঃকুঃবঃ**
**২৮/১০/২০২০**